**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2026
**Time :** 18-45 Hrs

**ASSAMESE EVEN BULLETIN**
**::::::::::::::::::::::::::::::::::::::::::::::::::::::**

১। ব'হাগ বিহু উপলক্ষে জনসাধাৰণৰ মাজত উৎসাহ-উদ্দীপনা। অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটোত সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয়ত ভক্তৰ সমাগম।

২। বড়োসকলৰ ৰংজালি বৈশাগু আৰু তিৱা জনগোষ্ঠীৰ পিচাক দমাচি পালন।

৩। নাৰী শক্তি বন্দন অধিনিয়মক মূল বিষয় হিচাপে লৈ কাইলৈৰ পৰা সংসদৰ বিশেষ অধিবেশন।

৪। বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে সম্ৰাট চৌধুৰীৰ শপতগ্ৰহণ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ সন্মুখীন।

০০০০০

ৰঙালী বিহুৰ আজি দ্বিতীয় দিনটো ৰাজ্যজুৰি মানুহ বিহু হিচাপে পালন কৰা হৈছে। ৰঙালীৰ পদূলিত অসমীয়া নৱবৰ্ষক আদৰি সকলোৱে আজি মাহ, হালধিৰে গা ধুই বছৰটোৰ বাবে মংগল কামনা কৰে। নিজৰ লগতে পৰিয়াল তথা সমাজৰ কুশল কামনাৰ বাবে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয় আদিত বহু লোকৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ মন্দিৰসমূহতো আজি পুৱাৰে পৰা নেদেখা জনৰ আশিস লোৱাৰ বাবে বহু লোক সমবেত হৈছে। খানাপাৰা, গণেশগুৰি আৰু লতাশিলৰ গণেশ মন্দিৰ, শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ মন্দিৰকে ধৰি ধৰ্মীয় স্থানসমূহত বহু লোকে সেৱা জনাইছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লয়। পিঠা-পনা, জা-জলপানেৰে অতিথি আপ্যায়ন কৰা হয়। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। উজনি অসমৰ আটাইকেইখন জিলা আৰু নামনি অসমতো বিহু উপলক্ষে আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

বছৰটো কুশলে যোৱাৰ কামনাৰে মাজুলীৰ সত্ৰসমূহত ধূপ-চাকি লগাই সেৱা আগবঢ়োৱা হয়। ঐতিহাসিক শ্ৰীশ্ৰীআউনীআটী সত্ৰত গুৰু শিস্যৰ ৩৭৩ বছৰীয়া পৰম্পৰা ৰক্ষা কৰি ভকত বৈষ্ণৱৰ গুৰু সেৱা অনুষ্ঠিত হয়। সত্ৰখনৰ গোবিন্দ মহাপ্ৰভূৰ চৰণত কপৌ ফুল অৰ্পনেৰে অসমবাসীয়ে কুশল মংগল কামনা কৰি সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱগোস্বামীৰ আশীৰ্বাদ লয়। পুৱাৰে পৰা সত্ৰখনলৈ অসমৰ ভিন্ন প্ৰান্তৰ ভকত বৈষ্ণৱৰ আগমন পৰিলক্ষিত হয়।

উজনি মাজুলীৰ মুদৈবিল অঞ্চলৰ নৰ-ৰতনপুৰ টকৌবাৰী চুবুৰীৰ যুৱতী আৰু আইসকলে প্ৰতি বছৰে ব'হাগৰ প্ৰথম দিনটোত বোকা বিহু উদযাপন কৰে। অঞ্চলটোৰ ৰাইজে বছৰ বছৰ ধৰি চলি অহা এই পৰম্পৰা ৰক্ষা কৰি বোকা খেলি, প্ৰতি ঘৰে ঘৰে সোমাই গৃহস্থক বোকা সানি চোতালত বিহুনাম এফাকি গাই আনন্দ কৰে। এই বোকা বিহু পালন সন্দৰ্ভত আউনীআটী সত্ৰৰ এগৰাকী বৈষ্ণৱে এনেদৰে কয়—

**বাইট (বৈষ্ণৱ)**

যোৰহাট জিলাৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰতো আজি পুৱাৰে পৰা ভক্তৰ ভিৰ পৰিলক্ষিত হয়। ভক্তসকলে বৰনামঘৰত অক্ষয় বন্তিৰ সন্মুখত ধূপ-দীপ আৰু নৈবেদ্যৰে সেৱা লয়।

গোলাঘাট জিলাৰ বোকাখাতৰ ঐতিহাসিক শ্ৰীশ্ৰীচিকণ আতা থান, আঠখেলীয়া নামঘৰ, খনিকৰ পুথি নামঘৰ আদিত পুৱাই বিহু উপলক্ষে অগণন ভক্তৰ ভিৰ দেখা যায়। পহিলা ব'হাগৰ দিনটোত আটাইয়ে ভগৱানৰ আশিস বিচাৰি শৰাই, নৈবেদ্য আগবঢ়ায়।

শিৱসাগৰ জিলাত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু ৰংপুৰবাসীৰ সহযোগত ৰংঘৰ বাকৰিত আজি দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু পালন কৰিছে। পুৰা প্ৰতীকি স্বৰ্গদেউক লৈ ঐতিহাসিক তলাতল ঘৰৰ পৰা ৰংঘৰ বাকৰিলৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিহুৰ লগত সংগতি ৰাখি ৰংপুৰৰ ৰণশিঙা শীৰ্ষক এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানত চৰাইদেউ হুঁচৰি দল, নিমাইজান আৰু বকতা হুঁচৰি দলৰ প্ৰদৰ্শনে ৰংঘৰৰ বাকৰি জীপাল কৰি তোলে। গড়গাঁৱৰ কাৰেং ঘৰৰ বাকৰিতো অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উদ্যোগত মুকলি বিহু উদযাপন কৰা হয়।

তেজপুৰত কলিবাৰী চিত্ৰলেখা কৃষ্টি সংঘত ৭০ সংখ্যক ৰঙালী বিহু সন্মিলন আজি দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হৈছে।

শ্ৰীভূমি জিলাতো উৎসাহ-উদ্দীপনাৰ মাজেৰে ৰঙালী বিহু পালন কৰা হৈছে। জিলাখনৰ পুলিচ অতিথি গৃহত আয়োজিত মূল অনুষ্ঠানত পূজা-অৰ্চনা, উৎসৱৰ পতাকা উত্তোলন আৰু অন্যান্য আনুষ্ঠানিক কাৰ্যসূচীৰ জৰিয়তে উৎসৱৰ শুভাৰম্ভ কৰা হয়। পাছত বিভিন্ন সাংস্কৃতিক দলে বিহুগীত, নৃত্য পৰিৱেশন কৰে।

অসম সাহিত্য সভাৰ শিলচৰ শাখাৰ কাৰ্যালয়ৰ বাকৰিত আজি ৰঙালী বিহু উপলক্ষে পতাকা, শ্বহীদ তৰ্পণ আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত হয়। পাছত মুকলি বিহুত সকলোৱে মিলি গীত-নৃত্য প্ৰদৰ্শন কৰে।

বৰপেটাত কালিৰে পৰা সম্পূৰ্ণ সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে ব'হাগৰ দোমাহী পালন কৰা হৈছে। সত্ৰকেন্দ্ৰিক ব্যৱস্থাৰ অংশ হিচাপে সংক্ৰান্তিৰ দিনটোৰ পৰা ৬ ব'হাগলৈ ব'হাগৰ দোমাহী পালন কৰা হয়। আজি পুৰা বৰপেটা সত্ৰত নিয়মীয়া প্ৰসংগ কৰাৰ লগতে দোমাহীৰ নিৰ্দিষ্ট ঘোষা পৰিৱেশন কৰা হয়। আজি সত্ৰখনৰ দৈৱজ্ঞ্যই পৰম্পৰাগতভাৱে বৰ্ষফল গণনা কৰে। সত্ৰখনত বহু প্ৰত্যাশিত বৰ্ষফল গণনা প্ৰত্যক্ষ কৰিবলৈ বহু লোকৰ সমাগম হয়।

oooooo

বড়ো জনগোষ্ঠীৰ লোকসকলে কালিৰে পৰা বৈশাগু উৎসৱ পালন কৰিছে। এই উপলক্ষে আজি বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গাব। এই উৎসৱ ৭ দিন ধৰি চলিব।

তামুলপুৰ জিলা সদৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ তামুলপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত আজি উলহ-মালহেৰে ৰংজালি বৈশাগু উদযাপন কৰা হয়। বড়ো জনগোষ্ঠীৰ চহকী পৰম্পৰা অনুসৰি আজিৰ এই পবিত্ৰ দিনটোত কনিষ্ঠজনে জ্যেষ্ঠজনৰ পৰা আশিস গ্ৰহণ কৰাৰ লগতে পৰস্পৰৰ মাজত সমন্বয়ৰ বাৰ্তা বিলোৱাৰ প্ৰচেষ্টা হাতত লোৱা হয়। বৈশাগু উৎসৱৰ কাৰ্যসূচী অনুসৰি কেইবাটাও সাংস্কৃতিক দলে পৰম্পৰাগত বৈশাগু গীত আৰু বাগৰুম্বাকে ধৰি বিভিন্ন নৃত্য পৰিৱেশন কৰে। বৈশাগু উৎসৱ উদযাপন সন্দৰ্ভত উদ্যোক্তাসকলে এইদৰে কয়–

**বাইট**

কোকৰাঝাৰ জিলাৰ বাগানশালীৰ বাথৌথানশালীত আজি ৰংজালি বৈশাগু উপলক্ষে বাথৌ আৰোজ অনুষ্ঠিত কৰা হয়। ভক্তসকলে বড়ো সম্প্ৰদায়ৰ আৰাধ্য দেৱতা বাথৌ বাউৰৰ বেদীত প্ৰাৰ্থনা কৰি বিশ্বশান্তি, সমৃদ্ধি আৰু সমাগত বছৰটোৰ বাবে আশীৰ্বাদ বিচাৰে।

বাক্সা জিলাতো কালিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে বৈশাগু পালন কৰা হৈছে। একেদৰে জিলাখনৰ সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত বৈশাগু উৎসৱৰ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে।

গোৱালপাৰা জিলাৰ ৰংডোবা গাঁৱৰ বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু উৎসৱ পালনৰ বাবে সাজু হৈছে। গাঁওখনত অহা ১১ আৰু ১২ ব'হাগত ৰংজালী বৈশাগু উৎসৱ পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিদিনে বাগৰুম্বা নৃত্যৰ অনুশীলন চলি আছে। আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিষুৱা উদযাপন কৰিব।

০০০০০০

ৰাজ্য বিধানসভা আৰু সংসদত মহিলাসকলৰ বাবে আসন সংৰক্ষণৰ পোষকতা কৰা নাৰী শক্তি বন্দন অধিনিয়মক মূল বিষয় হিচাপে লৈ কাইলৈৰ পৰা তিনি দিনিয়াকৈ সংসদৰ বিশেষ অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিনিয়ম কাৰ্যকৰী কৰা সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব আৰোপ কৰি ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত মহিলাসকলৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণ মূল চাবিকাঠি হিচাপে পৰিগণিত হব বুলি উল্লেখ কৰিছে। শ্ৰী মোদীয়ে ভাৰতৰ নাৰী শক্তিয়ে কঠোৰ পৰিশ্ৰম, সাহস আৰু আত্মবিশ্বাসেৰে সফলতাৰ শিখৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰিছে। ৰাজ্যৰ বিধানসভাৰ পৰা দেশৰ সংসদ ভৱনলৈ মহিলা সকলৰ কেইবাদশকজোৰা অপেক্ষাৰ অহা ১৬, ১৭ আৰু ১৮ এপ্ৰিলত অন্ত পৰিব বুলি তেওঁ কয়। ২০২৩ চনত সংসদৰ নতুন ভৱনত চৰকাৰে নাৰী শক্তি বন্দন অধিনিয়ম প্ৰৱৰ্তনৰ প্ৰথমটো পদক্ষেপ লৈছিলে বুলি তেওঁ মন্তব্য কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, গণতন্ত্ৰত মহিলাৰ সৱলীকৰণে সমগ্ৰ প্ৰক্ৰিয়াটোক শক্তিশালী কৰে আৰু সেইবাবে সদনত মহিলাসকলৰ আসন সংৰক্ষণ অত্যন্ত গুৰুত্বপূৰ্ণ।

০০০০০

বিহাৰৰ উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা সম্ৰাট চৌধুৰীয়ে আজি পাটনাৰ লোক ভৱনত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। পাটনাৰ ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল ছৈয়দ অটা হাচনাইনে তেওঁক পদ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰায়। শ্ৰীচৌধুৰী ৰাজ্যৰ ২৪ সংখ্যক মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত বিজেপিৰ প্ৰথমগৰাকী নেতা। এই অনুষ্ঠানতে জনতা দল ইউনাইটেডৰ নেতা তথা চৰাইৰ বিধায়ক বিজয় কুমাৰ চৌধুৰী আৰু চুপলৰ বিধায়ক ব্ৰিজেন্দ্ৰ প্ৰসাদ যাদৱেও উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

০০০০০

তিৱা জনগোষ্ঠীৰ লোকসকলে আজি জনগোষ্ঠীটোৰ ৰঙালী বিহু পিচাক দমাচি পালন কৰে। বহাগৰ প্ৰথমটো বুধবাৰে জনগোষ্ঠীটোৰ লোকসকলে এই উৎসৱ পালন কৰে। তিৱা সংস্কৃতি দমাচি মানে উৎসৱ। এই উৎসৱত জনগোষ্ঠীটোৰ লোকসকলে নিজৰ পৰম্পৰাগত কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰে। এই উৎসৱত তিৱাসকলৰ থলুৱা নৃত্য গীত, পৰম্পৰাগত সাজ পাৰ, থলুৱা পানীয়, খৰিকাত দিয়া মাছ-মাংস আৰু পৰম্পৰাগত পিঠা-পনাৰ জুতি লোৱা হয়। তিৱাসকলৰ এই উৎসৱে অসমৰ চহা জীৱনৰ কৃষি আৰু প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্কক প্ৰতিফলিত কৰে।

ইপিনে, মৰিগাঁও জিলাত অহা ১৮ এপ্ৰিলৰ পৰা ২৬ এপ্ৰিললৈ গোভা ব'হাগ বিহু পালনৰ প্ৰস্তুতি আৰম্ভ হৈছে। চতুৰ্দশ শতিকাতে গোভা ৰজাই প্ৰচলন কৰা এই বিহুৱে তিৱা জনগোষ্ঠী আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত তিৱা লোকাচাৰসমূহক জীয়াই ৰখাৰ লগতে সমন্বয় সাধনত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। গোভা ব'হাগ বিহু পালন সন্দৰ্ভত গোভা দেওৰজা ৰাজদৰবাৰৰ সম্পাদক জুৰচিং বৰদলৈয়ে এনেদৰে কয়—

**বাইট**

০০০০০

বাক্সা জিলাৰ বিভিন্ন স্থানত আজি বাঁহ গোসাই অৰ্থাৎ দহৰফুৰোৱা উৎসৱ আৰম্ভ হৈছে। জিলাখনৰ মা গোসানী, মা কামাখ্যা, কলিয়া ঠাকুৰ, ভাংৰা গোসাই, বুঢ়া গোসাই, গৰখীয়া আদি স্থানত এই উৎসৱ উদযাপন কৰা হয়। উল্লেখযোগ্য যে এই লোক উৎসৱৰ বাবে ৫-৬ ডাল দীঘল বাঁহ কাটি গৰু বিহুৰ দিনাখন গোসাইদহৰ বাঁহ সজোৱা হয়। মুৰত পিতলৰ চোলা পিন্ধাই গোটেই গোসাই বাঁহদাল ৰঙীন কাপোৰেৰে মেৰিয়াই ওপৰত ৰুমাল, ফুলাম গামোচা আদি গাঠি দিয়া হয়। গাওঁৰ

চেমনীয়াসকলে  দহ্‌ৰগোসাইক ঢোল, তাল, বৰকাঁহ, শংখ আদি বজাই শোভাযাত্ৰাৰে ঘৰে ঘৰে লৈ গৈ বছৰটোৰ বাবে আশীৰ্বাদ লয়। জিলাখনৰ কুজিদেওৰত অহা ৬ বহাগত বাঁহ গোঁসাই উত্তোলন কৰি উৎসৱ পালন কৰা হ'ব।

ইপিনে নলবাৰী জিলাৰ বিভিন্ন স্থানত আজিৰে পৰা মাহজুৰি ভঠেলী উৎসৱ অনুষ্ঠিত হৈছে। জিলাখনৰ উলাবড়ীৰ খাটালপাৰাত আজি ৫০ বছৰ অতিক্ৰম কৰা ভঠেলী উৎসৱৰ পৰম্পৰা পালন কৰা হয়। উৎসৱৰ সৈতে সংগতি ৰাখি ওজাপালি প্ৰদৰ্শনকে ধৰি  বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হৈছে।

০০০০০

অসম সাহিত্য সভাই আজি পহিলা ব'হাগৰ দিনটো **নিজৰ দিন** হিচাপে উদযাপন কৰিছে। সভাৰ প্ৰধান সম্পাদক দেবজিৎ বৰাই প্ৰকাশ কৰা মতে ৰাজ্যৰ ভাষা সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰি থকা তথা জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ৫ হাজাৰ গৰাকী ব্যক্তিক আজি সাহিত্য সভাৰ বিষয়ববীয়াই ঘৰে ঘৰে গৈ সন্মানিত কৰাৰ কাৰ্যসূচী ৰূপায়ণ কৰে। নিজৰ দিন উপলক্ষে ৰাজ্যৰ জাতীয় জীৱনলৈ বৰঙণি যোগোৱা দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশত বাস কৰা ৬৫ বছৰ ঊৰ্ধৰ ব্যক্তিসকলক সাহিত্য সভাৰ উদ্যোগত ওলগনি পত্ৰ প্ৰেৰণ কৰি সন্মানিত কৰা হ'ব।

গুদালগুৰি জিলা সাহিত্য সভাৰ লগতে টংলা সাহিত্য সভাই আজি বৃহত্তৰ টংলা অঞ্চলৰ চন্দ্ৰপ্ৰভা দত্ত, নিভাৰাণী চক্ৰৱৰ্তী, অনন্ত দেৱ শৰ্মা, যতীন্দ্ৰ বৰ্মন আৰু ৰত্নেশ্বৰ বসুমতাৰী তেওঁলোকৰ বাসগৃহত বিহুৱান আৰু ওলগণি পত্ৰৰে ওলগ জনোৱা হয়।

বাক্সা জিলাতো আজি পহিলা ব'হাগ উপলক্ষে অসম সাহিত্য সভাৰ নিজৰ দিন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই সন্দৰ্ভত আমাৰ বাক্সাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয়—

**ভইচকাষ্ট (দামোদৰ তালুকদাৰ)**

০০০০০০০০

ডিমা হাচাও জিলাৰ মাইবং বজাৰত আজি পুৱা সংঘটিত অগ্নিকাণ্ডৰ ফলত কেইবাটাও বাসগৃহ আৰু বাণিজ্যিক প্ৰতিষ্ঠানৰ ক্ষতি হয়। আমাৰ সংবাদদাতাই জনোৱা মতে আজি পুৱা প্ৰায় ৫ বজাত বজাৰখনৰ এটা এলেকাত অগ্নিকাণ্ডৰ সূত্ৰপাত হয় আৰু বিভিন্ন অঞ্চললৈ জুই বিয়পি পৰে। এই অগ্নিকাণ্ডত দুটা বাসগৃহ সম্পূৰ্ণৰূপে ভষ্মিভূত হোৱাৰ লগতে ৮ খন দোকানৰ বিস্তৰ ক্ষতি হয়। জৰুৰীকালীন সহাৰিৰ দল তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা কৰে। ক্ষতিগ্ৰস্ত সকললৈ আকষ্মিক সহায়ৰ  বাবে বিভিন্ন সামগ্ৰী আগবঢ়োৱা হৈছে। ভাৰতীয় ৰেড ক্ৰছ ছোছাইটিয়েও তেওঁলোকক প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰিছে। অৱশ্যে অগ্নিকাণ্ডৰ কাৰণ সম্পৰ্কত এতিয়াও জানিব পৰা হোৱা নাই আৰু তদন্ত অব্যাহত আছে। জিলা প্ৰশাসনে ক্ষতিগ্ৰস্ত পৰিয়াল আৰু প্ৰতিষ্ঠানসমূহক সকলো প্ৰকাৰৰ সাহায্য আগবঢ়োৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিছে।

০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণি থানাৰ অন্তৰ্গত মাইলুত আজি বিয়লি সংঘটিত এটা পথ দুৰ্ঘটনাত দুজন যুৱকৰ থিতাতে মৃত্যু হয়। এখন দুচকীয়া  বাহনে নিয়ন্ত্ৰণ হেৰুৱাই এজোপা গছত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। খেৰণি আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ দুটা চিনাক্ত কৰাৰ বাবে প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। ০০০০০

০০০০০

নিৰ্বাচন আয়োগে অহা ২৩ এপ্ৰিলত হ'বলগীয়া তামিলনাডু বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ আৰু পশ্চিমবংগৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ভোটদাতাৰ তথ্য সম্বলিত কাগজ চমুকৈ ভি আই এছ বিতৰণ কৰিছে। এই কাগজত ভোটদাতাৰ তথ্য, ভোটগ্ৰহণ কেন্দ্ৰৰ স্থান, ভোটগ্ৰহণৰ তাৰিখ আৰু সময়ৰ লগতে ভোটদাতাসকলে  ভোটদানৰ দিনটোত পালন কৰিবলগীয়া কামসমূহ সন্দৰ্ভত নিৰ্দেশনা সন্নিবিষ্ট থাকিব। এই কাগজখনৰ বিতৰণৰ ফলত ভোটগ্ৰহণ কেন্দ্ৰসমূহত অনাহক ভিৰ হ্ৰাস কৰিব পাৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে আয়োগে ভি আই এছ সমূহ স্পষ্টকৈ পঢ়িব পৰা আৰু সকলো ভোটদাতাই সহজে লাভ কৰিব পৰাকৈ ছপা কৰিবলৈ নিৰ্দেশ দিছিল। এই কাগজখনত ভোটদাতাগৰাকীৰ নাম

স্পষ্টকৈ লিখা থাকিব বুলি কোৱা হৈছে। বুথ পৰ্যায়ৰ বিষয়াসকলে ভোটদাতাসকলৰ ঘৰে ঘৰে গৈ ভোটগ্ৰহণৰ ৫ দিন পূৰ্বে এই কাগজসমূহ বিতৰণ কৰাৰ প্ৰয়োজন বুলিও আয়োগে প্ৰকাশ কৰিছে। ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ প্ৰতিনিধিয়েও বুথ পৰ্যায়ৰ বিষয়াৰ সৈতে ঘৰে ঘৰে যাব পাৰে বুলিও আয়োগে উল্লেখ কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃ সমাপ্ত ঃঃ